জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৫/২০২১

## বৰাক উপত্যকাৰ মাণ্ডলিক আয়ুক্তৰ কাৰ্যালয় গুৱাহাটীৰ পৰা শিলচৰলৈ স্থানান্তৰৰ সিদ্ধান্ত ৰাজ্য চৰকাৰৰ

## উৰুকা উপলক্ষে সীমিত বন্ধৰ দিন ঘোষণা ৰাজ্য চৰকাৰৰ

**দিছপুৰ, ৭ জানুৱাৰী ঃ** ৰাজ্যৰ সমবিকাশৰ লক্ষ্যক বাস্তৱায়িত কৰাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে অসম চৰকাৰে বৰাক উপত্যকাৰ মাণ্ডলিক আয়ুক্তৰ কাৰ্যালয় গুৱাহাটীৰ পৰা শিলচৰলৈ স্থানান্তৰিত কৰাৰ সিদ্ধান্ত লৈছে। তাৎক্ষণিকভাৱে কাৰ্যকৰী হ'বলগীয়া এই সিদ্ধান্তৰ জৰিয়তে চৰকাৰী কাম-কাজৰ ক্ষেত্ৰত উপত্যকাটোৰ জনসাধাৰণ বিশেষভাৱে উপকৃত হ'ব।

আনহাতে, আন এক সিদ্ধান্তৰ জৰিয়তে ৰাজ্য চৰকাৰে ভোগালী বিহুৰ উৰুকাৰ দিনাখন সীমিত বন্ধৰ দিন ঘোষণা কৰিছে।

**সুঃদঃ / বীঃগঃ**
৭/০১/২০২১

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in